Total number of printed pages–4

**14 (ASM–3) 3086**

**2021**

**( Held in 2022 )**

**ASSAMESE**

Paper : ASM–3086

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। *এটা* বাক্যত উত্তৰ দিয়া ঃ *(দহোটা)* ১×১০=১০

(ক) 'Indian Literature' শব্দটো প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল?

(খ) কোনগৰাকী ভাৰতীয় সাহিত্যিকে মৃত্যুক 'তুঁহুঁ মম শ্যাম সমান' বুলি আদৰণি জনাইছে?

(গ) কলিকতা বিশ্ববিদ্যালয়ত কেতিয়াৰে পৰা '*আধুনিক ভাৰতীয় সাহিত্য*' অধ্যয়নৰ বাবে সুকীয়া বিভাগ খোলা হয়?

(ঘ) কোনগৰাকী কবিক বঙলা সাহিত্যৰ প্ৰথম '*ৰোমান্টিক কবি*' আখ্যা দিয়া হয়?

Contd.

(ঙ) ‘*বিবাসিনি*’ উপন্যাসখন কোনে ৰচনা কৰিছিল?

(চ) ‘*অনুবাদ*’ শব্দটোৰ বুৎপত্তিগত অৰ্থ কি?

(ছ) লক্ষ্মীনন্দন বৰাৰ ‘*কায়কল্প*’ উপন্যাসখন কোনধাৰাৰ উপন্যাস?

(জ) ‘*পৰীক্ষাগুৰু*’ উপন্যাস কোনে ৰচনা কৰিছিল?

(ঝ) ‘*সূৰয কী সাতৱা ঘোঁৰা*’ উপন্যাসখন কি ধাৰাৰ উপন্যাস?

(ঞ) অসমত ‘তুলনামূলক সাহিত্য’ সম্পৰ্কে ৰচিত প্ৰথমখন গ্ৰন্থৰ নাম কি?

২। চমু উত্তৰ দিয়া ঃ *(মুঠ দহোটা)* ২×১০=২০

(ক) আধুনিক বঙলা গদ্য-সাহিত্যৰ ভেটি নিৰ্মাণত কি কি অনুষ্ঠানে প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল?

(খ) সমালোচকসকলে কোনখন উপন্যাসক প্ৰথম বঙলা উপন্যাসৰ মৰ্যাদা প্ৰদান কৰিছে?

(গ) ৰবীন্দ্ৰনাথৰ ‘*ভিখাৰিণী*’ গল্পটো প্ৰথমে কেতিয়া আৰু ক’ত প্ৰকাশ পাইছিল?

(ঘ) কোন কেইগৰাকী সাহিত্যিক আধুনিক উৰিয়া সাহিত্যৰ পিতৃ বুলি কোৱা হয়?

(ঙ) হিন্দী সাহিত্যৰ মাৰ্ক্সবাদী ধাৰাটো সমৃদ্ধ কৰা দুগৰাকী গল্পকাৰ অথবা ঔপন্যাসিকৰ নাম লিখা।

(চ) তুলনামূলক সাহিত্য অধ্যয়ন আৰু গৱেষণাৰ সৈতে জড়িত দুগৰাকী ভাৰতীয় পণ্ডিতৰ নাম লিখা।

(ছ) 'ভিন্ন ভাষাত ৰচিত হলেও ভাৰতীয় সাহিত্য একক আৰু অখণ্ড' — এই মতবাদ কোনে আগবঢ়াইছিল?

(জ) জনজাতীয় জীৱনভিত্তিক *দুখানি* উপন্যাসৰ নাম লিখা।

(ঝ) সাম্প্ৰতিক অসমীয়া কৱিতাৰ *দুটি* ধাৰাৰ নাম লিখা।

(ঞ) মহাদেৱী বৰ্মাৰ কবিতাৰ *দুটি* বৈশিষ্ট্য উল্লেখ কৰা।

৩। তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ চমু উত্তৰ দিয়া ঃ ৫×৪=২০

(ক) জাতীয়তাবাদ বুলিলে কি বুজা? অসমীয়া আৰু বাংলা কবিতাত জাতীয়তাবাদৰ প্ৰকাশ সম্পৰ্কে লিখা।

(খ) অজ্ঞেয়ৰ আচল নাম কি? তেওঁৰ সাহিত্য-প্ৰতিভাৰ চমু পৰিচয় দিয়া।

(গ) 'চেতনাস্ৰোত' কি? এই পদ্ধতি প্ৰয়োগ কৰি ৰচনা কৰা দুখনমান ভাৰতীয় উপন্যাসৰ পৰিচয় দিয়া।

(ঘ) 'কল্পবিজ্ঞান' বুলিলে কি বুজা? এই ধাৰাৰ চুটিগল্পৰ চমু পৰিচয় দিয়া।

(ঙ) ভাৰতীয় কবিতাত ৰহস্যবাদী চিন্তাৰ বিকাশ সম্পৰ্কে লিখা।

(চ) 'মাটিৰ মানুহ' উপন্যাসৰ বৰজু চৰিত্ৰটোৰ বিষয়ে লিখা।

(ছ) উৰিয়া সাহিত্যত মহাশ্বেতা দেৱীৰ স্থান নিৰূপণ কৰা।

৪। *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখিবা ঃ ১০×৩=৩০

(ক) মহাশ্বেতা দেৱীৰ 'অৰণ্যেৰ অধিকাৰ' উপন্যাসৰ পটভূমি বিচাৰ কৰা।

(খ) আধুনিক ভাৰতীয় সাহিত্যৰ অধ্যয়ন সম্পৰ্কে এটি সমীক্ষা প্ৰস্তুত কৰা।

(গ) 'গোদান' উপন্যাসত ভাৰতীয় সংস্কৃতিৰ স্বৰূপ কেনেদৰে প্ৰকাশিত হৈছে, লিখা।

(ঘ) 'মাটিৰ মানুহ' উপন্যাসত কৃষিকেন্দ্ৰিক গাঁৱলীয়া জীৱনৰ সৰলতা আৰু অকৃত্ৰিমতা কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(ঙ) অসমীয়া আৰু বাংলা ঐতিহাসিক উপন্যাসৰ ধাৰা সম্পৰ্কে এটি চমু আভাস দাঙি ধৰা।

(চ) অসমীয়া আৰু হিন্দী চুটিগল্পৰ মাজেদি প্ৰকাশিত নাৰীবাদী চিন্তাৰ চমু আভাস দিয়া।

---